**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-01-2026 **Time :** 1100 Hrs.

0000000000

ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা, এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক আজি গুৱাহাটীৰ খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ সূত্ৰ অনুসৰি কাইলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এ ডি আৰ ইত উত্তীৰ্ণ ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠী প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

00000000

ৰাজ্যৰ বিভিন্ন অংশত অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা প্ৰস্তুতৰ আয়োজন কৰিছে।

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চিৰাং জিলা গোটৰ উদ্যোগত আৰু গ্ৰামোন্নয়ন বিভাগৰ সহযোগত কাজলগাঁৱৰ বজাৰৰ বাকৰিত কালি সন্ধিয়াৰে পৰা তিনি দিনীয়াকৈ অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। বিটিচিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্মই উদ্বোধন কৰা এই ভোগালী মেলাত চিডলী-চিৰাং আৰু বড়ো বজাৰ খণ্ড উন্নয়ন এলেকাৰ ৩১টা আত্মসহায়ক গোটে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইতো ভোগালী বিহুক আদৰাৰ প্ৰস্তুতি পৰিলক্ষিত হৈছে। জিলাখনৰ শাস্ত্ৰী নগৰ ভোগালী বিহু উদযাপন সমিতিয়ে এইবাৰ ৪৫ ফুট উচ্চতাৰ মেজি সাজি উলিয়াইছে। ভোগালী বিহুৰ উৰুকাৰ দিনা বিভিন্ন থলুৱা খেল-ধেমালি প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে বুলি আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনাইছে। ডিব্ৰুগড় জিলাৰ ৰহমুৰীয়া অঞ্চলৰ বৰতিচুক গাঁৱত পূৰ্বৰ পৰম্পৰা অনুসৰি মাঘ বিহু উদযাপনৰ আয়োজন কৰা হৈছে। গাঁওখনৰ যুৱকসকলে একত্ৰিত হৈ জাতিয় সাজপাৰ পিন্ধি একোখনকৈ খৰিৰ ভাৰ নৈৰ পাৰৰ পৰা মুকলি পথাৰলৈ আনি ভেলাঘৰ আৰু ভোজভাত খোৱাৰ পৰম্পৰা অতীজৰে পৰা চলি আহিছে। এইবাৰো সকলোৱে আনন্দ-উল্লাসেৰে এই পৰম্পৰা ৰক্ষা কৰা দেখা গৈছে।

000000

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী ফৌথাৰত আজিৰে পৰা তিনিদিনীয়াকৈ বড়ো সাহিত্য সভা ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশন অনুষ্ঠিত হৈছে। বিটিচিৰ কাৰ্যবাহী সদস্য তথা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ধীৰাজ বৰগয়াৰীয়ে ড° মনেশ্বৰ ব্ৰহ্ম সোঁৱৰণী মুখ্য প্ৰৱেশদ্বাৰ মুকলি কৰে। ইয়াৰ পাছতে পদ্মলোচন বড়ো সোঁৱৰণী মুখ্য তোৰণ, প্ৰতিনিধি শিবিৰ আৰু স্বেচ্ছাসেৱক শিবিৰসমূহ মুকলি কৰা হ'ব। দিনৰ চাৰে ১১ বজাত 'সপোনৰ পৰা গন্তব্য স্থানলৈ, প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰ কৌশল' শীৰ্যক

আলোচনাচক্র অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত কবি সন্মিলন আৰু চাৰে ৪ বজাত 'বড়োসকলৰ সমসাময়িক আৰ্থ-সামাজিক জীৱন অন্বেষণ' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাৰ পৰা প্ৰথম প্ৰতিনিধি সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। কাইলৈ স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ'ব। পৰহিলৈ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

০০০০০০০

জাপানিজ এনকেফেলাইটিছৰ সংক্ৰমণ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰতিষেধক প্ৰদান কাৰ্যসূচী চলি আছে। এই কাৰ্যসূচীৰ অংশ হিচাপে ধুবুৰী জিলাত প্ৰাপ্তবয়স্কসকলৰ বাবে বিনামূলীয়াকৈ জাপানিজ এনকেফেলাইটিছৰ প্ৰতিষেধক প্ৰদান কৰি থকা হৈছে। ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সহকাৰী সঞ্চালক ডাঃ সবিতা দাস আৰু অতিৰিক্ত আয়ুক্ত ৰিপনজ্যোতি নাথে কালি প্ৰতিষেধক প্ৰদান কাৰ্যসূচী শুভাৰম্ভ কৰে। জিলাখনৰ মুখ্য স্বাস্থ্য বিষয়াই জনোৱা মতে ২১ জানুৱাৰীলৈ চলিবলগীয়া এই অভিযানৰ অধীনত ১৫ বছৰ ঊৰ্ধৰ সকলো নাগৰিকক বিনামূলীয়াকৈ প্ৰতিষেধক দিয়া হ'ব। ধুবুৰীত জিলাত ৮ লাখ ৭৯ হাজাৰ ৭৫২ জন লোকক প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

শ্ৰীভূমি জিলাতো কালিৰে পৰা ১৫ বছৰৰ পৰা ৬৫ বছৰৰ লোকসকলৰ বাবে জাপানিজ এনকেফেলাইটিছৰ বিনামূলীয়া প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসংগিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত শ্ৰীভূমি জিলা কৃষক পঞ্জীয়ন সন্দৰ্ভত জিলাখনৰ জিলা কৃষি বিষয়া ছফিকুল ইছলামৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ শ্ৰীভূমি জিলাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

লখিমপুৰ জিলাৰ ফুলবাৰী অঞ্চলৰ ভোগপুৰীয়া গাঁও নিবাসী প্ৰণৱ চলিহাৰ আজি পুৱা আকস্মিকভাৱে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৫ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু দুজন পুত্ৰ সন্তান এৰি থৈ যায়। ফুলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে কৰ্মৰত চলিহাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০০

**সমাপ্ত**